**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১। ৰাজ্যসভাৰ দুখন আৰু বিধানসভাৰ পাঁচখন আসনৰ উপ-নিৰ্বাচনৰ প্ৰস্তুতিক লৈ ৰাজ্যত ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আজি অসম বিধানসভাৰ সচিবালয়ৰ আন্তঃগাঁথনি উন্নয়নত নতুনকৈ সংযোজন কৰা কেইবাটাও কাৰ্যসূচী উদ্বোধন।

৩। আন্তঃৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে এইচ আই ভি সজাগতাৰ উদ্দেশ্যে আজি অসমৰ ১০ খন জিলাত নিবিড় আই ই চি অভিযান আৰম্ভ।

৪। কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ কচুগাঁৱত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ৪জন লোকৰ মৃত্যু। *আৰু*

৫। ষ্টেড দি ফ্ৰান্সত বৰ্ণাঢ্য কাৰ্যসূচীৰে পেৰিছ্ অলিম্পিক ২০২৪ৰ সামৰণি। পেৰিছ্ অলিম্পিকত অংশ লোৱা ভাৰতীয় এথলিটসকলৰ প্ৰদৰ্শনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰশংসা।

oooooo

আসন্ন ৰাজ্যসভাৰ উপ-নিৰ্বাচন আৰু পাঁচ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰস্তুতিক লৈ ৰাজ্যত ইতিমধ্যে বিভিন্ন ৰাজনৈতিক দল-সংগঠনৰ মাজত তৎপৰতা আৰম্ভ হৈছে। আজি গুৱাহাটীৰ কইনাধৰাত অৱস্থিত ৰাজ্যিক অতিথি শালাত বিজেপিৰ নিৰ্বাচন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হ'ব। বিজেপিৰ এই নিৰ্বাচন কমিটিৰ বৈঠকত ৰাজ্যসভাৰ খালী হৈ থকা আসন দুখনৰ লগতে পাঁচ বিধানসভা সমষ্টিৰ ভিতৰত বিজেপি দলে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া ধলাই, বিহালি আৰু চামগুৰি সমষ্টিৰ প্ৰাৰ্থীৰ বাচনি সম্পৰ্কত আজি এই বৈঠকত আলোচনা হোৱাৰ লগতে নিৰ্বাচনী ৰণকৌশল প্ৰস্তুত কৰা হ'ব বুলি জানিব পৰা গৈছে। আজি এই বৈঠকত আসন্ন পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভতো আলোচনা কৰা হ'ব। উল্লেখযোগ্য যে, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছাই লোকসভা নিৰ্বাচনত ক্ৰমে ডিব্ৰুগড় আৰু কাজিৰঙা সমষ্টিৰ পৰা সংসদলৈ নিৰ্বাচিত হোৱাৰ পৰিপ্ৰেক্ষিতত দুয়োগৰাকীয়ে প্ৰতিনিধিত্ব কৰি থকা ৰাজ্যসভাৰ আসন দুখন খালী হৈ আছে। এনে পৰিপ্ৰেক্ষিতত ৰাজ্যসভাৰ এই আসন দুখনৰ বাবে ইতিমধ্যে দেশৰ নিৰ্বাচন আয়োগে উপ-নিৰ্বাচন ঘোষণা কৰিছে। একেদৰে লোকসভা নিৰ্বাচনত শিলচৰৰ পৰা পৰিমল শুক্লবৈদ্য, শোণিতপুৰৰ পৰা ৰঞ্জিত দত্ত, ধুবুৰীৰ পৰা ৰকিবুল হুছেইন, বৰপেটাৰ পৰা ফণীভূষণ চৌধুৰী আৰু কোকৰাঝাৰৰ পৰা জয়ন্ত বসুমতাৰী নিৰ্বাচিত হোৱাৰ পৰিপ্ৰেক্ষিতত অসম বিধানসভাৰ ধলাই, বিহালী, চামগুৰি, বঙাইগাঁও আৰু চিদলীৰ এই আসনকেইখন খালী হৈ পৰিছিল। নিৰ্বাচন আয়োগে এই পাঁচ বিধানসভা সমষ্টিটো উপ-নিৰ্বাচন অনুষ্ঠিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভাৰ সচিবালয়ৰ আন্তঃগাঁথনি উন্নয়নত নতুনকৈ সংযোজন কৰা কেইবাটাও কাৰ্যসূচী উদ্বোধন কৰিব। ইয়াৰ ভিতৰত অসম বিধানসভা লাইভ ষ্টুডিঅ', নেচনেল ই-বিধান এপ্লিকেশ্বন চমুকৈ নেভা সেৱা কেন্দ্ৰ, অসম বিধানসভাৰ মূল সভাকক্ষ, আৰু কুইনছ লন আছে। দিনৰ ১২ বজাত হ'বলগীয়া এই কাৰ্যসূচীত বিধানসভা অধ্যক্ষ বিশ্বজিত দৈমাৰী উপস্থিত থাকিব।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভাৰ সচিবালয়ৰ আন্তঃগাঁথনি উন্নয়নত নতুনকৈ সংযোজন কৰা কেইবাটাও কাৰ্যসূচী উদ্বোধন কৰিব। ইয়াৰ ভিতৰত অসম বিধানসভা লাইভ ষ্টুডিঅ', নেচনেল ই-বিধান এপ্লিকেশ্বন চমুকৈ নেভা সেৱা কেন্দ্ৰ, অসম বিধানসভাৰ মূল সভাকক্ষ, আৰু কুইনছ লন আছে। দিনৰ ১২ বজাত হ'বলগীয়া এই কাৰ্যসূচীত বিধানসভা অধ্যক্ষ বিশ্বজিত দৈমাৰী উপস্থিত থাকিব। এই নেভা সেৱা কেন্দ্ৰ উদ্বোধনীৰ পিছতে পি এ আৰু পি এছ বিষয়ক প্ৰশিক্ষনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০

৭৮ সংখ্যক স্বাধীনতা দিৱসলৈ কেইটামান দিন বাকী থকা অৱস্থাত দেশৰ অন্যান্য অঞ্চলসমূহৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে । এই উপলক্ষে বৰপেটা জিলাত গৃহমন্ত্ৰী অমিত শ্বাহৰ আহ্বান মৰ্মে **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ অংশ হিচাপে জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰাজহুৱা স্বাক্ষৰ সংগ্ৰহ অভিযানৰ কালি আৰম্ভণি কৰা হয়। ইফালে চিৰাং জিলাৰ সদৰ কাজল গাঁৱত স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ মুখ্য আকৰ্ষণ সামৰিক কুচকাৱাজৰ বাবে পেৰেড গ্ৰাউণ্ডত অসম আৰক্ষী বাহিনী, সীমা সুৰক্ষা বল, গৃহৰক্ষী জোৱান, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে অনুশীলন চলাইছে। হোজাইতো বিগত কেইবা দিন ধৰি জিলা সদৰ শংকৰদেৱ নগৰৰ কাছাৰী ময়দানত আৰক্ষী আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলে সমূহীয়াভাৱে কুচকাৱাজৰ অনুশীলন কৰিছিল। এই অনুশীলনৰ কালি সামৰণি পৰে। দক্ষিণ শালমাৰা মানকাচাৰ জিলাতো খাৰুৱাবন্ধা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আৰক্ষী প্ৰশাসনৰ কটকটীয়া নিৰাপত্তাৰ মাজত স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলিছে। ভাৰত-বাংলাদেশ আৰু অসম-মেঘালয় সীমান্তত অৱস্থিত জিলাখনৰ সংবেদনশীল পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে যিকোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা প্ৰতিৰোধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ইফালে কোকৰাঝাৰ চহৰত প্ৰাক-স্বাধীনতা দিৱস উদযাপনৰ অংশ হিচাপে জিলা কাৰাগাৰ কৰ্তৃপক্ষই আয়োজন কৰা পৰিচ্ছন্নতা অভিযানৰ আজি সামৰিণি পৰিছে। এই পৰিচ্ছন্নতা কাৰ্যসূচীয়ে কাৰাগাৰৰ বাসিন্দাসকলৰ মাজত নাগৰিক দায়বদ্ধতাৰ মনোভাব বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰিছে।

আনহাতে কালি নলবাৰীত প্ৰাক-স্বাধীনতা দিৱস উদযাপনৰ অংশস্বৰূপে এটা ত্ৰিৰংগ যাত্ৰাৰ আয়োজন কৰা হয়। ভাৰতীয় জনতা যুৱ মৰ্চাৰ বৰক্ষেত্ৰী সমষ্টিৰ সমিতিয়ে আয়োজন কৰা যাত্ৰাটো জিলাখনৰ কৰিয়াৰ পৰা আৰম্ভ হৈ বৰভাগৰ মাজেৰে পৰিভ্ৰমণ কৰি বালিলেছা কালী দেৱালয়ত সামৰণি পৰে।

০০০০০০

আজি আন্তঃৰাষ্টীয় যুৱ দিৱস। এই যুৱ দিৱস উপলক্ষে এইচ আই ভি সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আজি অসমৰ ১০ খন জিলাত একেলগে ৬০ দিনীয়া নিবিড় আই ই চি অভিযান আৰম্ভ কৰা হ'ব।

গুৱাহাটী পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ৰাজ্য চৰকাৰৰ পৰিবহন, মীন, আবকাৰী বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই এই অভিযান আজি শুভাৰম্ভ কৰিব। এই অভিযানৰ বিষয়বস্তু হৈছে **ক্লিকৰ পৰা অগ্ৰগতিলৈ- বহনক্ষম উন্নয়নৰ বাবে যুৱ সমাজৰ ডিজিটেল পথ**। ইপিনে আজি এই দিৱস উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ড্ৰাগছ আৰু এইচ আই ভিৰ দৰে বিভীষিকাসমূহক পৰাভূত কৰি শক্তিশালী ৰাষ্ট্ৰ গঠনত যুৱসমাজক অৰিহণা যোগাবলৈ আহ্বান জনাইছে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি লাচিত বৰফুকনৰ তথ্যচিত্ৰ সন্দৰ্ভত লোকসেৱা ভৱনৰ মিডিয়া হ'লত প্ৰসাৰ ভাৰতীৰ সৈতে এক বুজাবুজি চুক্তিৰ স্বাক্ষৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বিয়লি চাৰি বাজি ৩০ মিনিটত এই বুজাবুজিৰ চুক্তিৰ অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি জনসংযোগ বিভাগে প্ৰকাশ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ কচুগাঁৱত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ৪জন লোকৰ মৃত্যু হোৱাৰ লগতে দুজন লোক গুৰুতৰভাৱে আহত হয়। কচুগাঁও মহামায়া মন্দিৰৰ সমীপত এখন দ্ৰুতবেগী ট্ৰাকে বলব'ম ভক্তৰ এটা দলক খুন্দা মৰাৰ ফলত থিতাতে চাৰিজন লোক নিহত হয়। নিহত লোককেইজন সুকন ৰয়, জয় ৰয়, বাপ্পী ঘোষ আৰু বাসুদেৱ ৰয় বুলি চিনাক্ত কৰা হৈছে।

০০০০০০

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন অংশত বৃদ্ধি পোৱা হাতী-মানুহৰ সংঘাত হ্ৰাস কৰাৰ বাবে জৈৱ বৈচিত্ৰ সংৰক্ষণ সংস্থা আৰণ্যকে **হাতী এপ** শীৰ্ষক এটা মোবাইল ফোন এপ্লিকেচন আৰু অসমীয়া ভাষাত উপলব্ধ এখন সৌৰ বেৰ হাতপুথি অৰ্থাৎ ছ'লাৰ ফেন্স মেনুৱেল মুকলি কৰিছে। গুৱাহাটীত অনুষ্ঠিত এটা অনুষ্ঠানত এই এপ আৰু হাতপুথি মুকলি কৰি শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোচাই কয় যে, হাতী আৰু মানুহৰ অস্তিত্বৰ স্বাৰ্থত এই সংঘাত নিৰ্মূলৰ ক্ষেত্ৰত দুয়োবিধ ব্যৱস্থা অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। হাতী এপৰ জৰিয়তে গাঁওবাসীয়ে তেওঁলোকৰ অঞ্চলত বনৰীয়া হাতীৰ উপস্থিতিৰ বিষয়ে আগতীয়াকৈ সতৰ্কবাণী লাভ কৰিব। এছ বি আই

ফাউণ্ডেচনৰ দ্বাৰা সমৰ্থিত এই এপে হাতী-মানুহৰ সংঘাতৰ দ্বাৰা প্ৰভাৱিত লোকসকলক একালীন ক্ষতিপূৰণৰ দাবীসমূহ দাখিল কৰাত সহায় কৰিব। আনহাতে সৌৰ শক্তিচালিত বেৰাৰ সন্দৰ্ভত অসমীয়া ভাষাত প্ৰকাশ কৰা হাতপুথিখনত বেৰাসমূহৰ স্থাপন, মেৰামতি আদিৰ ক্ষেত্ৰত সকলো ধৰণৰ তথ্য উপলব্ধ হ'ব।

oooooo

স্বাধীনতা দিৱস উপলক্ষে মেৰা ভাৰত মহান শ্লোগানেৰে দেশ আৰু স্বজাতিৰ প্ৰতি দেশাত্মবোধ জগাই তোলাৰ বাবে কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। স্বাধীনতা দিৱসৰ দিনটোৰ পৰা যাব-বাহনৰ গৰাকীক সহায়ৰ হাত আগবঢ়াবলৈ পৰিবহন বিভাগে বিশেষ জনসেৱা মাহৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই জনসেৱা মাহত সামৰিক, অৰ্ধসামৰিক, আৰক্ষী, চিকিৎসক, অধিবক্তা, সাংবাদিক, ক্ৰীড়াবিদ আৰু মুক্তিযুঁজুৰু পৰিয়ালৰ সদস্যক সামৰি লোৱা হ'ব বুলি কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়া গৌতম দাসে এই কথা সদৰী কৰিছে। সমাজৰ এইসকল উৎসৰ্গিত ব্যক্তি যিসকলে সময়ৰ অভাৱ আৰু কাৰিকৰী অসুবিধাত নিজৰ বাহনৰ নথি-পত্ৰমূহ নৱীকৰণ কৰিব পৰা নাই বা সময়মতে যান-বাহনৰ কৰ আদায় দিব পৰা নাই তেওঁ লোকে ফোন যোগে নিজৰ সমস্যাৰ বিষয়ে অৱগত কৰাৰ লগে লগে ঘৰ অথবা কাৰ্যালয়ত উপস্থিত হৈ পৰিবহন বিভাগৰ সহায়কাৰী বিষয়া-কৰ্মচাৰীদলে এই সমস্যাসমূহ তাৎক্ষণিকভাৱে সমাধান কৰিব। জিলা পৰিবহন বিভাগে বেতকুছিস্থিত কাৰ্যালয়ত সাজু কৰা কৰ্মচাৰী দলে বাহনৰ গৰাকীৰ বিভিন্ন ওজৰ আপত্তি ততালিকে নিষ্পত্তি কৰিব। এই সুবিধা গ্ৰহণৰ বাবে ইচ্ছুক লোকে ৯৫৭৭৯ ৯২১৫৩, ৮০১১৩ ৩৩০১৩, ৮৮২২৭ ৫৫৭৩৮, ৯১২৭২ ০৬৮০৩ নম্বৰত যোগাযোগ কৰিবলৈ কামৰূপ মহানগৰ জিলা পৰিবহন বিভাগে আহ্বান জনাইছে।

oooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, বিহাৰ আৰু পূব ৰাজস্থানত আজি ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। আনহাতে কেৰালা, মাহে, তামিলনাডু আৰু উত্তৰ কৰ্ণাটকতো অহা ৪ দিনত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি অনুমান কৰিছে। এই সময়ছোৱাত পশ্চিম হিমালয় খণ্ড, পূব আৰু উত্তৰ-পূব ভাৰতকে ধৰি উত্তৰ-পশ্চিম আৰু দক্ষিণ অংশত অহা ৭ দিনলৈ ঠায়ে ঠায়ে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলিও বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

oooooo

ষ্টেড দি ফ্ৰান্সত কালি নিশা বৰ্ণাঢ্য কাৰ্যসূচীৰে পেৰিছ অলিম্পিক ২০২৪ৰ অন্ত পৰে। ভাৰতে এইবাৰৰ অলিম্পিকত এটা ৰূপ আৰু ৫টা ব্ৰঞ্জসহ মুঠ ৬টা পদক লাভ কৰি ৭১ সংখ্যক স্থানত থাকে। ইয়াৰ পূৰ্বে ২০২০ৰ টকিঅ' অলিম্পিকত ভাৰত এটা সোণ, দুটা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ৭টা পদকেৰে ৪৮-সংখ্যক স্থানত আছিল।

পেৰিছ অলিম্পিকৰ কালি শেষৰ দিনা নেডাৰলেণ্ডছৰ ছিফান হাছানে মহিলাৰ মাৰাথনত সোণৰ পদক অৰ্জন কৰে। ৩১ বছৰীয়া এথলিটগৰাকীয়ে ইয়াৰ দুদিন পূৰ্বে ১০ হাজাৰ মিটাৰত আৰু ছদিন পূৰ্বে ৫ হাজাৰ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

এইবাৰৰ অলিম্পিকত আমেৰিকা যুক্তৰাষ্ট্ৰই ৪০টা সোণৰ পদকসহ মুঠ ১২৬টা পদকেৰে প্ৰথম স্থানত থাকে। আনহাতে চীনে ৪০টা সোণৰ পদকসহ মুঠ ৯১টা পদকেৰে দ্বিতীয় স্থানত থকাৰ বিপৰীতে জাপানে ২০টা

সোণসহ মুঠ ৪৫টা পদকেৰে তৃতীয় আৰু অষ্ট্ৰেলিয়াই ১৮টা সোণসহ মুঠ ৫৩টা পদকেৰে চতুৰ্থ স্থান দখল কৰিবলৈ সমৰ্থ হয়।

উল্লেখযোগ্য যে ২০২৮ৰ গ্ৰীষ্ম অলিম্পিক ল'ছ এঞ্জেলছত অনুষ্ঠিত হ'ব। ১৯৩২ আৰু ১৯৮৪ চনৰ পাছত ল'ছ এঞ্জেলছে তৃতীয়বাৰৰ বাবে অলিম্পিক খেলৰ আয়োজকৰ ভূমিকা পালন কৰিব। ২০২৮ৰ অলিম্পিকত ফ্লেগ ফুটবল, ক্ৰিকেট, লেক্ৰজ আৰু স্কুৱাছ খেলক নতুনকৈ অন্তৰ্ভুক্ত কৰাৰ লগতে বেছ বল আৰু ছফ্‌ট বলক পুনৰ অন্তৰ্ভুক্ত কৰা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ অলিম্পিকত ভাৰতীয় এথলিটসকলৰ প্ৰদৰ্শনৰ প্ৰশংসা কৰিছে। তেওঁ কয় যে, সকলো এথলিটে উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়ালে আৰু তেওঁলোকক লৈ প্ৰতিগৰাকী ভাৰতীয় গৌৰৱান্বিত। সামাজিক মাধ্যম এক্সৰ এটা পʼষ্টত শ্ৰীমোদীয়ে উল্লেখ কৰে যে, পেৰিছ অলিম্পিকৰ সামৰণিৰ লগে লগে তেওঁ ইয়াত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈকে ধৰি আন সদস্যসকলৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে। তেওঁ লগতে খেলুৱৈসকলক অনাগত খেলসমূহৰ বাবেও শুভেচ্ছা জনায়। উল্লেখযোগ্য যে এইবাৰৰ অলিম্পিকত ভাৰতৰ মুঠ ১১৭ গৰাকী এথলিটে ১৬ বিধ বিভিন্ন ক্ৰীড়াত অংশগ্ৰহণ কৰিছিল।

০০০০০০

হাৰিয়ানাত অহা মাহত প্ৰথম গোলকীয় মহিলাৰ কাবাডী লীগ অনুষ্ঠিত হ'ব। গোলকীয় প্ৰবাসী মহিলাৰ কাবাডী লীগ হিচাপে পৰিচিত এই খেলত এইবাৰ ১৫ খন দেশৰ মহিলা এথলিটসকলে অংশগ্ৰহণ কৰিব। কাবাডী খেলক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ কৰা, এই খেলবিধক অলিম্পিকত অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টাক সমৰ্থন কৰা তথা ২০৩৬ৰ অলিম্পিক আয়োজনৰ ক্ষেত্ৰত ভাৰতৰ দাবীক শক্তিশালী কৰাৰ ক্ষেত্ৰত এই প্ৰতিযোগিতাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বিশ্ব কাবাডীৰ সহযোগত হলিষ্টিক আন্তঃৰাষ্ট্ৰীয় প্ৰবাসী ক্ৰীড়া সন্থা, HIPSAই আয়োজন কৰা এই লীগৰ উদ্বোধনী খেল হাৰিয়ানাত অনুষ্ঠিত হ'ব। শেহতীয়াকৈ হাৰিয়ানা চৰকাৰ আৰু HIPSAৰ মাজত এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই প্ৰতিযোগিতাত ইংলেণ্ড, পোলেণ্ড, আৰ্জেণ্টিনা আৰু ইটালীকে ধৰি বিভিন্ন দেশে অংশগ্ৰহণ কৰিব। দেশৰ পূৰ্বৰ ক্ৰীড়া মন্ত্ৰী কিৰেন ৰিজিজুৱে অলিম্পিকত কাবাডীৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়াইছে। ভাৰতে ২০৩৬ৰ অলিম্পিক খেল অনুষ্ঠিত কৰাৰ লক্ষ্য পূৰ হ'লে অলিম্পিকত কাবাডী খেলৰ অন্তৰ্ভুক্তি এটা উল্লেখনীয় সাফল্যত পৰিণত হ'ব।

০০০০০০

বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ সৈতে বিশ্বৰ বৃহৎ শক্তি আমেৰিকা জড়িত হৈ আছে। এই কথা প্ৰকাশ কৰিছে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই। এই বাতৰিক গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে নিয়মীয়া বাৰ্তা কাকতে হাছিনাক উৎখাতৰ আঁৰত আমেৰিকাৰ হাত শিৰোনামেৰে প্ৰকাশ কৰাৰ লগতে দৈনিক অসম কাকতে হাছিনাৰ পতনৰ আঁৰত আমেৰিকা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই বাতৰিটোক আমাৰ অসম কাকতেও ছেইণ্ট মাৰ্টিন দ্বীপৰ বাবে চক্ৰান্তৰ বলি হাছিনা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনত বিৰোধী ঐক্য মঞ্চৰ ১৮টা দলে সন্মিলিতভাৱে অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত লৈছে। গুৱাহাটীৰ ৰাজীৱ ভৱনত অনুষ্ঠিত প্ৰদেশ কংগ্ৰেছৰ পি এ চিৰ বৈঠকৰ অন্তত এই ঘোষণা দলৰ সভাপতি ভূপেন বৰাৰ এই বাতৰিক অসমীয়া প্ৰতিদিন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যত উন্নত প্ৰযুক্তিৰে জিঅ' মেগাটিউবৰ মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাৰ এই বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যৰ জ্যেষ্ঠ শিল্পী আমিনুল হ'ক আৰু কাৰ্বি আংলঙৰ যুৱ শিল্পী ৰমেন ইংতিক বেণু মিশ্ৰ সোঁৱৰণি এন আৰ এল বঁটা প্ৰদান কৰা হয়। এই বাতৰিক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ধৰ্মৰ কথা নাই, বাংলাদেশীৰ বোজা অসমে নলয় বুলি স্থিতি স্পষ্ট অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ। এই বাতৰিক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পেৰিছ অলিম্পিক সম্পৰ্কে এটা বাতৰিক আমাৰ অসম কাকতে ভাৰত ৭১ স্থানত, মেপত বিচাৰি নোপোৱা বহু দেশ পদক তালিকাৰ ওপৰত শিৰোনামেৰে আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উত্তৰ পূবৰ ৰাজ্যৰ হেলিপোৰ্টছ, জল বিমান বন্দৰ নিৰ্মাণৰ বাবে কেন্দ্ৰৰ ২১৪ কোটি আৱণ্টন। এই বাতৰিক দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ছেবিৰ অধ্যক্ষৰ বিৰুদ্ধে হিণ্ডেনবাৰ্গৰ অভিযোগ সম্পৰ্কীয় বাতৰিটোক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিশিষ্ট কবি, সমালোচক ৰবীন্দ্ৰ বৰাৰ দেহাৱসানৰ বাতৰিটো দৈনিক জনমভূমি কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – আজিৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ দিৱস, কলিয়াবৰত বনৰীয়া হাতী-বাঘৰ ত্ৰাস, অভিনয় এৰাৰ ইংগিত আমিৰ খানৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

নলবাৰী জিলাৰ বুদ্ৰুকুচি গাঁও নিবাসী কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত চাকৰিয়াল তথা প্ৰাক্তন ৰাজপত্ৰিত বিষয়া শশীকান্ত শৰ্মাৰ যোৱা নিশা নিজ বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। প্ৰয়াত শৰ্মা বুদ্ৰুকুচি আৰু বৃহত্তৰ বাঁহজানী অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল।

০০০০০০

সমাপ্ত